**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 29-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১।	লোকসভাত আজি পুনৰ অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ'ব।

২।	ভাৰতে কোনো কাৰণতে সন্ত্ৰাসবাদেৰে জড়িত চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে সহাৱস্থান নকৰে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মন্তব্য কৰিছে।

৩।	ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে আজি ৫ বছৰ সম্পূৰ্ণ কৰিছে।

৪।	বিহাৰত নিৰ্বাচন আয়োগে চলাই থকা ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীৰ অধীনত অহা ১ আগষ্টত খচৰা ভোটাৰ তালিকা প্ৰকাশত নিষেধাজ্ঞা আৰোপ কৰিবলৈ উচ্চতম ন্যায়ালয় অমান্তি হৈছে। ***আৰু***

৫।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফিডে মহিলা বিশ্বকাপত খিতাপ দখল কৰা ভাৰতীয় দবা খেলুৱৈ দিব্যা দেশমুখক অভিনন্দন জ্ঞাপন কৰিছে।

ooooo

লোকসভাত আজি অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিশেষ আলোচনা পুনৰ অনুষ্ঠিত হ'ব। অপাৰেচন সিন্দূৰক পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে ভাৰতৰ শক্তিশালী, সফল আৰু নিৰ্ণায়ক অভিযান হিচাপে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি এই আলোচনা আৰম্ভ কৰিছিল। এই আলোচনাত অংশ লৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে পেহেলগাম আক্ৰমণক ভাৰতৰ সামৰিক সঁহাৰিয়ে প্ৰতিহত কৰিছে। তেওঁ ভাৰতে কোনো কাৰণতে সন্ত্ৰাসবাদেৰে জড়িত চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে সহাৱস্থান কৰিব নোৱাৰে বুলি উল্লেখ কৰে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰে সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত নতুন পৰ্যায়ৰ সূচনা কৰিছে। ২২ এপ্ৰিলৰ পেহেলগাম আক্ৰমণৰ পাছতে ভাৰতে পাকিস্তানৰ বিৰুদ্ধে কেইবাটাও শাস্তিমূলক পদক্ষেপ গ্ৰহণ কৰিছিল। উদাহৰণস্বৰূপে সিন্ধু জল চুক্তি স্থগিতকৰণ। ভাৰত-পাকিস্তানৰ সংঘাত অন্ত পেলোৱাৰ ক্ষেত্ৰত বিদেশ ৰাষ্ট্ৰৰ মধ্যস্থতাৰ কথা অস্বীকাৰ কৰি বৈদেশিক মন্ত্ৰীগৰাকীয়ে কয়, যে এইক্ষেত্ৰত আমেৰিকাৰ কোনো ভূমিকা নাই। বৰ্তমান চলি থকা বাণিজ্যিক আলোচনা আৰু সামৰিক কাৰ্যকলাপৰ মাজতো কোনো ধৰণৰ সম্পৰ্ক নাই বুলি ড০ জয়শংকৰে মন্তব্য কৰে। ২৬/১১ৰ মুম্বাই আক্ৰমণৰ কথা উল্লেখ কৰি তেওঁ পূৰ্বৰ চৰকাৰৰ সন্ত্ৰাসবাদ নিৰ্মূলকৰণ আৰু বৈদেশিক নীতি ফলপ্ৰসূকৰণক লৈ সমালোচনা কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে অপাৰেচন সিন্দূৰ কেৱল এটা সামৰিক অভিযানেই নাছিল, বৰং ই হৈছে ভাৰতৰ সাৰ্বভৌমত্ব, পৰিচয় তথা জনসাধাৰণৰ প্ৰতি চৰকাৰৰ দায়িত্ব আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ নীতিৰ ফলপ্ৰসূ আৰু নিৰ্ণায়ক প্ৰদৰ্শন। শ্ৰীসিঙে কয়, যে জম্মু-কাশ্মীৰৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতেই আৰম্ভ কৰা অপাৰেচন সিন্দূৰ দেশৰ সশস্ত্ৰ বাহিনীসমূহৰ দ্বাৰা এটা সুংসহত আক্ৰমণ আছিল আৰু এই আক্ৰমণে ৯ টাকৈ সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস কৰিছিল। এই অভিযানত ১০০ৰো

অধিক সন্ত্ৰাসবাদী, সন্ত্ৰাসবাদীৰ প্ৰশিক্ষণৰ সৈতে জড়িত লোক নিহত হয় আৰু এইসমূহৰ অধিকাংশই জইছ-এ-মহম্মদ, লস্কৰ-ই-তৈয়বা আৰু হিজবুল মুজাহিদিন সন্ত্ৰাসবাদী সংগঠনৰ সৈতে জড়িত আছিল।

পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা নিৰীহ লোকসকলৰ পৰিয়ালক ন্যায় প্ৰদানৰ উদ্দেশ্যৰেই অপাৰেচন সিন্দূৰ অভিযান চলোৱা হৈছিল বুলি শ্ৰীসিঙে মন্তব্য কৰে। তেওঁ কয়, যে সন্ত্ৰাসবাদীৰ শিবিৰসমূহ ধ্বংস কৰাৰ লগতে পাকিস্তানলৈ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূণ্য সহনশীলতাৰ স্পষ্ট বাৰ্তা প্ৰেৰণৰ উদ্দেশ্যে এই অভিযান আৰম্ভ কৰা হৈছে। দেশৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থা, ড্ৰ'ণ প্ৰতিৰোধী ব্যৱস্থা সন্দৰ্ভত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে গৰ্ববোধ কৰে।

আলোচনাত ভাগ লৈ লোকসভাৰ কংগ্ৰেছ দলৰ দলপতি গৌৰৱ গগৈয়ে অভিযোগ কৰি কয়, যে বিৰোধী পক্ষই অপাৰেচন সিন্দূৰ সন্দৰ্ভত সদনত বিশেষ আলোচনাৰ বাবে দাবী জনাইছিল, কিন্তু চৰকাৰে অপাৰেচন সিন্দূৰৰ মূল বিষয়বোৰ আওকাণ কৰিছে। তেওঁ কয়, যে প্ৰতিৰক্ষা মন্ত্ৰীয়ে বহুসময় বক্তৃতা দিলে, কিন্তু সন্ত্ৰাসবাদীয়ে কেনেকৈ পেহেলগামত প্ৰৱেশ কৰিলে আৰু কেনেকৈ ২৬ জনকৈ নিৰপৰাধী লোকক হত্যা কৰিবলৈ পালে, সেই প্ৰশ্নৰ উত্তৰ এৰাই চলিলে। অপাৰেচন সিন্দূৰ সন্দৰ্ভত সকলো তথ্য চৰকাৰে প্ৰকাশ কৰা নাই বুলিও শ্ৰীগগৈয়ে অভিযোগ কৰে।

এই আলোচনাত অংশ লৈ সমাজবাদী পাৰ্টিৰ ৰামাশংকৰ ৰাজভৰেই কয়, যে পেহেলগাম আক্ৰমণৰ মূল অভিযুক্ত এতিয়াও পলাতক হৈ আছে। জম্মু-কাশ্মীৰৰ নিৰাপত্তা সন্দৰ্ভতো তেওঁ প্ৰশ্ন উত্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে সশস্ত্ৰ বাহিনীৰ বীৰত্বক প্ৰশংসা নকৰাৰ বাবে বিৰোধীক সমালোচনা কৰে। তেওঁ কয়, যে জম্মু আৰু কাশ্মীৰত **অপাৰেচন মহাদেৱ** অব্যাহত আছে আৰু পেহেলগাম আক্ৰমণৰ সৈতে জড়িত এজন সন্ত্ৰাসবাদী এই অভিযানত মৃত্যু মুখত পৰিছে। লোক জনশক্তি পাৰ্টিৰ শ্বম্ভাৱীয়ে কয়, যে এই আক্ৰমণ কেৱল নাগৰিকৰ ওপৰত হোৱা আক্ৰমণ নহয়, বৰঞ্চ ই হৈছে সমগ্ৰ মানৱতাৰ ওপৰত চলা আক্ৰমণ।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকসভাত কালি অপাৰেচন সিন্দূৰ সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ ভাষণক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমত এটা প'ষ্টযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাষণসমূহক অসাধাৰণ আৰু অন্তৰ্দৃষ্টি সম্পন্ন বুলি অভিহিত কৰে। তেওঁ কয়, যে ড০ জয়শংকৰে আলোকপাত কৰা অপাৰেচন সিন্দূৰৰ জৰিয়তে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা দৃষ্টিভংগী সমগ্ৰ বিশ্বই স্পষ্টভাৱে শুনিছে। লগতে ৰাজনাথ সিঙে ভাৰতৰ নিৰাপত্তাৰ ক্ষেত্ৰখনৰ সফলতা আৰু অপাৰেচন সিন্দূৰত সশস্ত্ৰ বাহিনীৰ সাহস সম্পৰ্কে অন্তৰ্দৃষ্টি সম্পন্ন ভাষণ আগবঢ়াইছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে আজি ৫ বছৰ সম্পূৰ্ণ কৰিছে। এই ৫ বছৰত ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে দেশত সৰ্বাংগীন, অধিক অধ্যয়নকেন্দ্ৰিক আৰু ভৱিষ্যতৰ বাবে সাজু কৰি তোলা শিক্ষা ব্যৱস্থাৰ ভেটি গঢ় দিলে। এই নীতিয়ে দেশৰ বিদ্যালয়সমূহত পাঠ্যপুথি, মুখস্থ বা নম্বৰতেই সীমাৱদ্ধ নাৰাখি প্ৰকৃত শিক্ষালাভৰ ভেটি নিৰ্মাণ কৰিছে। এই নীতিৰ দ্বাৰা প্ৰতিজন শিক্ষাৰ্থী লাভৱান হোৱাৰ সুযোগ লাভ কৰিছে।

০০০০০

বিহাৰত নিৰ্বাচন আয়োগে চলাই থকা ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীৰ অধীনত অহা ১ আগষ্টত খচৰা ভোটাৰ তালিকা প্ৰকাশত নিষেধাজ্ঞা আৰোপ কৰিবলৈ উচ্চতম ন্যায়ালয় অমান্তি হৈছে। ন্যায়াধীশ সূৰ্য্যকান্ত আৰু জয়মালা বাগ্‌ছীক লৈ গঠিত খণ্ড আদালতে কয়, যে আধাৰ কাৰ্ড আৰু ভোটদাতাৰ পৰিচয় পত্ৰকো এই সংশোধনীত নথি হিচাপে গ্ৰহণ কৰিবলৈ যোৱা ১০ জুলাইত আদালতে দিয়া নিৰ্দেশৰ জৰিয়তে আবেদনকাৰীৰ যুক্তিক ঔচিত্য প্ৰদান কৰা হৈছে। খণ্ড আদালতে ভোটাৰ তালিকা প্ৰকাশৰ ক্ষেত্ৰত কোনো আইন ভংগ হ'লে ইয়াক নাকচ কৰা হ'ব বুলিও স্পষ্ট কৰি দিয়ে। আদালতে স্পষ্ট কৰি দিয়ে, যে ভোটাৰ তালিকাৰ পৰা বৃহৎ সংখ্যক লোক বাদ পৰাতকৈ বৃহৎ সংখ্যক লোক অন্তৰ্ভুক্ত হোৱাটোহে নিৰ্বাচন আয়োগৰ লক্ষ্য হোৱা উচিত। নিৰ্বাচন আয়োগক দাখিল কৰা ভোটাৰ কাৰ্ড ভুৱা হ'ব পাৰে বুলি আয়োগৰ অধিবক্তাই দৰ্শোৱা যুক্তি সন্দৰ্ভত খণ্ড আদালতে কয়, যে যিকোনো নথিয়েই জাল বা ভুৱা হ'ব পাৰে। এইসমূহৰ সত্যাসত্য বিচাৰ কৰাৰ দায়িত্ব কৰ্তৃপক্ষৰ।

ইয়াৰ আগতে এছ'ছিয়েচন অৱ ডেম'ক্ৰেটিক ৰিফ'ৰ্মছ নামৰ সংস্থাটোৰ অধিবক্তা গোপাল শংকৰ নাৰায়ণনে বিহাৰৰ ভোটাৰ তালিকাৰ এই বিশেষ সংশোধনীৰ ফলত প্ৰায় ৪ কোটি ৫০ লাখ ভোটদাতা আহুকালত পৰিব বুলি যুক্তি দৰ্শায়। তেওঁ আধাৰ কাৰ্ড, ভোটাৰ কাৰ্ড আৰু ৰেচন কাৰ্ডকো মান্য নথি হিচাপে গণ্য কৰিবলৈ খণ্ড আদালতে যোৱা ১০ জুলাইত দিয়া নিৰ্দেশ নিৰ্বাচন আয়োগে পালন নকৰা বুলিও অভিযোগ কৰে।

গোচৰটোৰ পৰৱৰ্তী শুনানী শীঘ্ৰেই লোৱা হ'ব বুলি আদালতে দুয়োপক্ষৰ অধিবক্তাক জনায়।

ooooo

কেন্দ্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি নতুন দিল্লীত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজন লাল শৰ্মাক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই গ্ৰাম্য আৰু কৃষিখণ্ডৰ উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে গ্ৰামোন্নয়ন মন্ত্ৰালয়ে এম জি এনৰেগাৰ অধীনত চলিত বিত্তীয় বৰ্ষত ৰাজস্থানক ৪ হাজাৰ ৩৮৪ কোটি টকা মুকলি কৰি দিছে। ইয়াৰ বাবে মুখ্যমন্ত্ৰী শৰ্মাই ৰাজস্থানবাসীৰ হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক কৃতজ্ঞতা জ্ঞাপন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফিডে মহিলা বিশ্বকাপত খিতাপ দখল কৰা ভাৰতীয় দবা খেলুৱৈ দিব্যা দেশমুখক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত এটা বাৰ্তাযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দিব্যা দেশমুখ ২০২৫ চনৰ ফিডে মহিলা বিশ্বকাপত জয়ী হোৱাৰ লগতে গ্ৰেণ্ড মাষ্টাৰো হৈছে। দিব্যাৰ সফলতাই যুৱক-যুৱতীসকলক প্ৰেৰণা দিব। যুৱ প্ৰজন্মৰ মাজত দবা খেল আৰু অধিক জনপ্ৰিয় হোৱাত দিব্যাৰ সফলতাই বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱেও দিব্যা দেশমুখ আৰু প্ৰতিযোগিতাৰ ৰাণাৰ আপ কনেৰু হাম্পিক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমতী মুৰ্মুৱে ১৯ বছৰ বয়সত এই খিতাপ দখল কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা দবা খেলুৱৈ হিচাপে বিবেচিত হোৱা দিব্যাৰ শলাগ লয়। শ্ৰীমতী মুৰ্মুৱে কনেৰু হাম্পিকো উন্নত প্ৰদৰ্শনৰ বাবে অভিনন্দন জ্ঞাপন কৰে। এই দুয়োগৰাকী খেলুৱৈয়ে ভৱিষ্যতেও দেশলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিব বুলি শ্ৰীমতী মুৰ্মুৱে আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে জৰ্জিয়াৰ বাটুমিত কালি অনুষ্ঠিত ফিডে মহিলা বিশ্বকাপৰ ফাইনেলত দিব্যা দেশমুখে স্বদেশৰেই কনেৰু হাম্পিক পৰাভূত কৰি খিতাপ দখল কৰে। তিনিদিন ধৰি চলা খেলখনত দিব্যাই টাই ব্ৰেকাৰৰ সহায়ত ২ দশমিক ৫ - ১ দশমিক ৫ ফলাফলত তেওঁ জয়লাভ কৰে।

ooooo

সমাপ্ত